Roll No. | | | | | |

100006

Code No. **004**

Candidates must write the Code on the title page of the answer-book.

# অসমীয়া

# ASSAMESE

***General Instructions :***

***Read the following instructions very carefully and strictly follow them :***

*Time allowed : 3 hours* — *Maximum marks : 80*

*সময় : 3 ঘন্টা* — *মুঠ নম্বৰ : 80*

***Note :***

*(i)* *Please check that this question paper contains* **11** *printed pages.*

*(ii)* *Code number given on the right hand side of the question paper should be written on the title page of the answer-book by the candidate.*

*(iii)* *Please check that this question paper contains* **20** *questions.*

***(iv) Please write down the Serial Number of the question in the answer-book before attempting it.***

*(v)* **15** *Minutes time has been allotted to read this question paper. The question paper will be distributed at* **10.15** *a.m. From* **10.15** *a.m to* **10.30** *a.m., the students will read the question paper only and will not write any answer on the answer-book during this period.*

(vi) *This question paper comprises* ***four sections*** *– A, B, C and D.*

(vii) ***Section A*** *contains 1 question, Q. No. 1.*

(viii) ***Section B*** *contains 5 questions, Q. No. 2 to 6.*

(ix) ***Section C*** *contains 8 questions, Q. No. 7 to 14.*

(x) ***Section D*** *contains 6 questions, Q. No. 15 to 20.*

(xi) *All questions are compulsory.*

(xii) *Answer should be to the point.*

(xiii) *Separate instructions are given with each section and question wherever necessary.*

## Section - A (15 Marks)
## (বোধ পৰীক্ষণ)

1. (a) তলত দিয়া অনুচ্ছেদটো ভালদৰে পঢ়ি নিম্নলিখিত প্ৰশ্নসমূহৰ উত্তৰ বাছি উলিয়াই লিখা ঃ

অসমৰ ধৰ্ম, সমাজ, সুকুমাৰ কলা আৰু সাহিত্যৰ ক্ষেত্ৰত মহাপুৰুষ শংকৰদেৱে যি দান দি গ'ল তাৰ তুলনা পাবলৈ বিৰল। তেখেত একেধাৰে কবি, সমাজ-সংস্কাৰক, ধৰ্ম-প্ৰৱৰ্তক, নাট্যকাৰ-অভিনেতা, সংগীতজ্ঞ আৰু পৰম ভক্ত। বহু দেৱতাৰ ঠাইত এক দেৱতাৰ উপাসনাৰ প্ৰৱৰ্তন আৰু নানা ধৰ্মমতৰ সলনি সৰল, বিশুদ্ধ ভাগৱতী ধৰ্মমতবাদ স্থাপন কৰাৰ উদ্দেশ্যে তেখেতে সংস্কৃত বৈষ্ণৱ গ্ৰন্থৰাজিক অৱলম্বন কৰি জনসাধাৰণৰ ভাষাত কাব্য, নাটক, গীত আদি নিজেও ৰচনা কৰে আৰু আনকো সেই কাৰ্যত ব্ৰতী কৰায়। অচিৰেই ধৰ্ম আৰু সাহিত্যৰ ক্ষেত্ৰত এক নৱজাগৰণৰ সৃষ্টি কৰিবলৈ তেখেত সক্ষম হয়।

১৩৭১ শকত, ইংৰাজী ১৪৪৯ খ্ৰীষ্টাব্দত নগাঁও জিলাৰ বৰদোৱাত মহাপুৰুষ শংকৰদেৱৰ জন্ম হয় বুলি অসমৰ বৈষ্ণৱসকলৰ মাজত বিশ্বাস প্ৰচলিত হৈ আহিছে। অৱশ্যে এই জন্ম শক সম্পৰ্কে সন্দেহৰ অৱকাশ নোহোৱা নহয়। বুৰঞ্জীবিদ গেইট চাহাবে সন্দেহৰ বশৱৰ্তী হৈয়ে জন্ম শক ত্ৰিছ বছৰমানৰ পাছত হোৱাই অধিক সমীচিন বুলি অভিমত দি গৈছে।

শংকৰদেৱৰ জন্ম হৈছিল বুৰঞ্জী প্ৰসিদ্ধ শিৰোমণি ভূঞাৰ ঘৰত। সৰুতেই মাতৃ ঢুকোৱাত আৰু পৌগণ্ড কালতে পিতৃ কুসুম্বৰ ভূঞাৰো পৰলোক প্ৰাপ্তি হোৱাত বুঢ়ীমাক খেৰসূতীয়ে ডাঙৰ-দীঘল কৰি মহেন্দ্ৰ কন্দলীৰ টোলত নাম লগাই দিয়ে। চৰিত পুথিসমূহৰ মতে শিশুকালৰপৰাই শংকৰদেৱে বহুতো অসাধাৰণ কাম কৰি সকলোকে চমৎকৃত কৰিছিল। কেইবছৰমানৰ ভিতৰতে অসাধাৰণ পাণ্ডিত্যৰ পৰিচয় দি শিক্ষা সাং কৰে। কোনো কোনো চৰিত পুথিৰ মতে, শংকৰদেৱে তীৰ্থযাত্ৰাৰ আগতেই 'চিহ্নযাত্ৰা' ভাওনা অনুষ্ঠানৰ যোগেদি ধৰ্মপ্ৰচাৰৰ সূচনা কৰে। শিক্ষা সমাপ্ত কৰি সূৰ্যৱতীক বিবাহ কৰি গৃহাশ্ৰম ধৰ্ম পালন কৰে। এটি কন্যা থৈ সূৰ্যৱতীৰ কেইবছৰমানৰ ভিতৰতে মৃত্যু হোৱাত বৈৰাগ্য উপজি বাৰ বছৰ ভাৰতৰ বিভিন্ন তীৰ্থ পৰ্যটন কৰি, নানা সাধু-সন্তৰ সংস্পৰ্শত আহি আৰু নানা সম্প্ৰদায়ৰ কাৰ্যকলাপ দৰ্শন কৰি তেওঁ ঘৰলৈ উভতি আহে। বাৰবছৰীয়া তীৰ্থ পৰ্যটনে শংকৰদেৱৰ আধ্যাত্মিক জীৱন গঢ় দিয়াত গভীৰ প্ৰভাৱ পেলায়।

তীৰ্থৰ পৰা উভতি আহি জ্ঞাতিসকলৰ অনুৰোধ এৰাব নোৱাৰি দ্বিতীয়বাৰ বিবাহ কৰে। কিন্তু তেওঁৰ আধ্যাত্মিক স্পৃহাৰ নিবৃত্তি নহ'ল। ভায়েক বনগঞাগিৰি, ৰামৰায় (জগতানন্দ) আৰু বাল্যবন্ধু ৰামৰাম গুৰুৰ সহযোগত ভক্তি ধৰ্ম আচৰণ, প্ৰৱৰ্তন আৰু প্ৰচাৰৰ পাতনি মেলে। নামঘৰ-মণিকূট স্থাপন কৰে। বৰদোৱাতে জগদীশ মিশ্ৰই টীকাসহ ভাগৱত গ্ৰন্থ অৰ্পণ কৰে, যাৰ ফলত ধৰ্ম-চৰ্চা আৰু ধৰ্মশাস্ত্ৰ ৰচনাৰ সুবিধা হয়। প্ৰথম অৱস্থাত ভক্তিধৰ্ম প্ৰচাৰত সমাজৰ প্ৰতিক্ৰিয়াশীল আৰু গোড়া লোকৰপৰা যথেষ্ট বাধা পাইছিল। সম্ভৱতঃ এই কাৰণেই চিহ্নযাত্ৰা অভিনয় কৰি সকলো শ্ৰেণীৰ ৰাইজক মুগ্ধ কৰে আৰু নব্য ধৰ্মৰ প্ৰতি আকৃষ্ট কৰে।

খ্ৰীষ্টীয় ষোড়শ শতাব্দীৰ দ্বিতীয়-তৃতীয় দশকমানত কছাৰীৰ উপদ্ৰৱত ব্ৰহ্মপুত্ৰ পাৰ হৈ ভূঞাসকলৰ সৈতে শংকৰদেৱে আহোম ৰাজ্যৰ উত্তৰ পাৰে গাংমৌ অঞ্চলত আৰু পাছত ধুৱাঁহাট-বেলগুৰিত বসতি কৰিবলৈ লয়। ইয়াতে মাধৱদেৱৰ লগত তেখেতৰ মিলন হয়। এই মিলনে অসমৰ ধৰ্ম আৰু সাহিত্যৰ ক্ষেত্ৰত যুগান্তকাৰী অভ্যুত্থানৰ সূচনা কৰে। ধুৱাঁহাট-বেলগুৰি অঞ্চলত কিছু বছৰ অতিবাহিত কৰাৰ পাছত গুৰুজনা আহোমৰজাৰ অপ্ৰিয়ভাজন হয় আৰু আহোম ৰজাই জোঁৱায়েক হৰি ভূঞাক ধৰি নি বধ কৰে। খ্ৰীষ্টীয় ১৫৪৫-৪৬ চনত চিলাৰায় দেৱানৰ আহোম ৰাজ্য আক্ৰমণৰ সুৰুঙাতে শংকৰদেৱ আৰু ভূঞাসকল নামনিলৈ ভটিয়াই আহি বিভিন্ন ঠাইত সাময়িক স্থিতি লৈ অৱশেষত বৰপেটাৰ পাটবাউসীত নিগাজিকৈ বসতি কৰিবলৈ লয়। এই সময়তে নাৰায়ণ ঠাকুৰৰ দৰে প্ৰতিপত্তিশীল, কাৰ্যদক্ষ শিষ্য আৰু মাধৱদেৱৰ দৰে সৰ্বগুণী, গুৰুসৰ্বস্ব ভক্তসংগীৰ কৰ্মদক্ষতাৰ ফলত কামৰূপত শংকৰী ধৰ্মই দিনে দিনে জনপ্ৰিয়তা আৰু বিস্তৃতি লাভ কৰিবলৈ ধৰে। ইয়াৰপৰাই শংকৰদেৱে সশিষ্যে দ্বিতীয়বাৰ তীৰ্থভ্ৰমণলৈ যায়। ইয়াতো খল সূচকবিলাকে তেখেতৰ বিৰুদ্ধে কোঁচৰজা নৰনাৰায়ণক খল লগায় আৰু ফলত তেখেতক ধৰ্মবিৰোধী আৰু ধৰ্মনষ্টকাৰী বুলি ধৰি নিবলৈ হুকুম হয়। কিন্তু শুক্লধ্বজ বা চিলাৰায় দেৱানৰ আশ্ৰয়ত তেখেতে নিৰুপদ্ৰৱে নৰনাৰায়ণৰ ৰাজসভাত উপস্থিত হৈ পাণ্ডিত্য আৰু ভক্তিধৰ্মৰ শ্ৰেষ্ঠতাৰ চিনাকি দি নিজক জয়যুক্ত কৰে। নৰনাৰায়ণৰ উৎসাহ আৰু অনুপ্ৰেৰণা পাই সাহিত্য চৰ্চা আৰু ভক্তিধৰ্ম প্ৰকাশত আত্মনিয়োগ কৰে।

**প্ৰশ্ন ঃ** **1x9=9**

(I) শংকৰদেৱৰ ভাতৃৰ নাম আছিল -

(A) জগতানন্দ (B) বনগঞাগিৰি

(C) নাৰায়ণদেৱ (D) কুসুম্বৰ

(II) চিলাৰায় দেৱানে কেতিয়া আহোম ৰাজ্য আক্ৰমণ কৰিছিল ?

(A) ১৮৪৫-৪৬ চনত (B) ১৩৭১ শকত

(C) ১৮৭১ শকত (D) ১৫৪৫-৪৬ চনত

(III) শংকৰদেৱ আৰু মাধৱদেৱৰ মিলন ক'ত হৈছিল ?

(A) ধুৱাঁহাট-বেলগুৰিত (B) পাটবাউসীত

(C) বৰদোৱাত (D) গাংমৌত

(IV) বুঢ়ীমাকে শংকৰদেৱক কাৰ টোলত নাম লগাই দিয়ে ?

(A) মহেন্দ্ৰ কন্দলী (B) মাধৱ কন্দলী

(C) অনন্ত কন্দলী (D) শ্ৰীধৰ কন্দলী

(V) হৰি ভূএগ্ৰা কোন আছিল ?

(A) শংকৰদেৱৰ ভায়েক (B) শংকৰদেৱৰ জোঁৱায়েক

(C) কুসুম্বৰ ভূএগ্ৰাৰ পুতেক (D) মাধৱদেৱৰ ভাগিনীয়েক

(VI) চিলাৰায় দেৱানৰ অন্য এটা নাম আছিল -

(A) শুক্লধ্বজ (B) নীলধ্বজ

(C) নৰনাৰায়ণ (D) জগতানন্দ

(VII) 'উপাসনা' শব্দটোৰ এটা সমাৰ্থক শব্দ হৈছে -

(A) ভক্তি (B) প্ৰাৰ্থনা

(C) উপবাস (D) একাগ্ৰতা

(VIII) 'মিলন' শব্দটোৰ বিপৰীতাৰ্থক শব্দটো হৈছে -

(A) মণি-কাঞ্চন (B) সংযোগ

(C) সন্মিলন (D) বিচ্ছেদ

(IX) 'অনুষ্ঠান' - শব্দটোত কি উপসৰ্গ যোগ হৈছে ?

(A) অ (B) আ

(C) অনু (D) অন

(b) (X) মহাপুৰুষ শংকৰদেৱৰ জন্ম ক'ত হৈছিল ? সৰুতে তেওঁক কোনে ডাঙৰ-দীঘল কৰিছিল ? 2

(XI) প্ৰথমবাৰ বাৰবছৰজোৰা তীৰ্থভ্ৰমণৰ পৰা উভতি আহি শংকৰদেৱে কি কি কৰিছিল ? 2

(XII) শংকৰদেৱক কোনে আৰু ক'ত টীকাসহ ভাগৱত গ্ৰন্থ অৰ্পণ কৰিছিল আৰু তাৰ ফলত কি সুবিধা হৈছিল ? 2

## Section - B (25 Marks)

### (লিখন কলা)

2. (a) তলত দিয়া সংকেত-বাক্যবোৰৰ সহায়ত শিৰোনাম আৰু নীতিশিক্ষাসহ গল্পটো সম্পূৰ্ণ কৰা ঃ 5x1=5

এখন গাঁৱৰ দুজন নলে-গলে লগা বন্ধু . . . এদিন দুয়ো এখন হাবি পাৰ হ'ব লগা . . . . . প্ৰথমজন বন্ধুৱে দ্বিতীয়জন বন্ধুক কেতিয়াও লগ নেৰাৰ কথা কয় . . . এটা ভালুক হঠাতে . . . প্ৰথম বন্ধুজনে গছত উঠে . . . গছত উঠিব নজনা দ্বিতীয়জন বন্ধুলৈ উভতি নাচায় . . . দ্বিতীয় বন্ধুজনে মৰাৰ ভাও ধৰি পৰি ৰয় . . . ভালুকে মৰাশ নাখায় . . . উভতি যায় . . . . . . . . . ।

**নাইবা**

(b) তলত দিয়া বিষয় দুটাৰ **যিকোনো এটা** বাছি লৈ এখন ৰচনা লিখা ঃ

(I) পৰিৱেশ প্ৰদূষণ আৰু ইয়াৰ প্ৰতিকাৰ

(II) সময়ৰ মূল্য

3. তোমাৰ বিদ্যালয়ত অনুষ্ঠিত হোৱা সংগীত প্ৰতিযোগিতাৰ সবিশেষ উল্লেখ কৰি বাতৰি কাকতত প্ৰকাশৰ কাৰণে এখন প্ৰতিবেদন প্ৰস্তুত কৰা। 5x1=5

4. তলত দিয়া **যিকোনো এটা** ফকৰা-যোজনা বুজাই লিখা ঃ 5x1=5

(I) আঠুৱা চাই ঠেং মেলা

(II) কিনা হাঁহৰ ঠোঁটলৈকে মঙহ

5. (a) তোমাৰ এটা শেহতীয়া ভ্ৰমণ অভিজ্ঞতাৰ বিষয়ে জনাই তোমাৰ বন্ধুলৈ এখন চিঠি লিখা। (চিঠিত নাম আৰু ঠিকনা লিখিবলৈ সাংকেতিক চিহ্ন ব্যৱহাৰ কৰিবা)। 5x1=5

**নাইবা**

(b) তোমাৰ অঞ্চলত বাট-পথ পুনৰ নিৰ্মাণ বা মেৰামতিৰ বাবে অনুৰোধ জনাই বিভাগীয় কাৰ্যবাহী অভিযন্তালৈ এখন আবেদন কৰা।

6. তলত দিয়া জঁতুৱা খণ্ডবাক্যকেইটাৰ মাজৰ পৰা **যিকোনো পাঁচটাৰে একোটাকৈ** অৰ্থপূৰ্ণ বাক্য ৰচনা কৰা ঃ 1x5=5

গা-গধুৰ, ঘৰ কৰ, চকুত পৰ, মুখৰ ছাঁই গুচা, দাঁত লাগ, চকুৰ মণি, মুখ উজলোৱা

## Section - C (20 Marks)

### (ব্যাকৰণ)

7. তলত দিয়া শব্দকেইটাৰ শুদ্ধ সন্ধি বাছি উলিয়াই লিখা ঃ 1x4=4

(I) শতেক

(A) শত + ক (B) শত + এক

(C) শ + তেক (D) শতক + এক

(II) বুধিয়ক

(A) বুধি + য়ক (B) বু + ধিয়ক

(C) বুধ + ইয়ক (D) বুধি + অক

(III) মনস্তাপ

(A) মনঃ + তাপ (B) মনস্ + স্তাপ

(C) মনো + তাপ (D) মন + স্তাপ

(IV) দুষ্প্ৰাপ্য

(A) দুষ্ + প্ৰাপ্য (B) দুঃ + প্ৰাপ্য

(C) দুষ্প + প্ৰাপ্য (D) দুষ্পা + প্য

8. শুদ্ধ বিকল্পটো বাছি উলিয়াই উত্তৰ লিখা ঃ 1x2=2

(I) 'প্ৰগাঢ়' শব্দটোত কি উপসৰ্গ যোগ হৈছে ?

(A) প্ৰতি (B) পৰা

(C) প্ৰ (D) পৰি

(II) 'নিৰ্মল' শব্দটোত তলত দিয়া কোনটো উপসৰ্গ যোগ হৈছে ?

(A) নিৰ (B) নিঃ

(C) মল (D) নী

9. উত্তৰ লিখা ঃ 1x2=2

(I) তলৰ কোনটোত অনুসৰ্গৰ প্ৰয়োগ হৈছে ?

(A) নিকৰুণ (B) সকৰুণ

(C) লিখিবাচোন (D) অৱতৰণ

(II) তলৰ কোনটো অনুসৰ্গ ?

(A) অনু (B) পৰা

(C) কাৰ (D) হঁক

10. শুদ্ধ সমাৰ্থক শব্দটো বাছি উলিয়াই লিখা ঃ 1x2=2

(I) পদুম -

(A) পুষ্প (B) পুখুৰী

(C) পুষ্কৰিণী (D) পংকজ

(II) সূৰ্য -

(A) দিবাকৰ (B) সুধাকৰ

(C) ৰজনী (D) জগদীশ

11. শুদ্ধ বিপৰীতাৰ্থক শব্দটো বাছি উলিয়াই লিখা ঃ 1x2=2

(I) দীঘল -

(A) সুদীৰ্ঘ (B) দৈৰ্ঘ

(C) চুটি (D) চাপৰ

(II) কঠিন -

(A) টান (B) কোমল

(C) কুমলীয়া (D) কঠোৰ

12. শুদ্ধ বিকল্পটো বাছি উত্তৰ লিখা ঃ 1x4=4

(I) পৃথিৱী সূৰ্যৰ চাৰিওফালে ঘূৰে।

(A) সৰল বাক্য (B) জটিল বাক্য

(C) অনুজ্ঞাসূচক বাক্য (D) যৌগিক বাক্য

(II) গৰমৰ বন্ধত আমি ফুৰিবলৈ যাম।

(A) সৰল বাক্য (B) ইচ্ছাসূচক বাক্য

(C) মিশ্ৰ বাক্য (D) যৌগিক বাক্য

(III) যেতিয়া ঠাণ্ডাদিন আহিব, তেতিয়া আমি উমাল চুৱেটাৰবোৰ পিন্ধিম।

(A) সৰল বাক্য (B) ভাৱবোধক বাক্য

(C) মিশ্ৰ বাক্য (D) যৌগিক বাক্য

(IV) তুমি আনক ভাল পাবা আৰু ভগৱানে তোমাক ভাল পাব।

(A) সৰল বাক্য (B) জটিল বাক্য

(C) সমাধানবোধক বাক্য (D) যৌগিক বাক্য

1x2=2

13. অতি চমুকৈ উত্তৰ লিখা ঃ

(I) ক্ৰিয়াৰ মূলক কি বোলে ?

(II) তলৰ ক্ৰিয়াপদ কেইটাৰ ধাতু নিৰ্ণয় কৰা -

কান্দিছে, পঢ়িছে

1x2=2

14. উত্তৰ লিখা ঃ

(I) অতীত কাল কাক বোলে ?

(II) স্বৰূপ ভূত কালৰ এটা উদাহৰণ বাক্যত লিখা।

## Section - D (20 Marks)

### ( গদ্য ভাগ)

15. তলৰ **যিকোনো এটা** প্ৰশ্নৰ উত্তৰ লিখা ঃ 4x1=4

(I) তাৎপৰ্য ব্যাখ্যা কৰা ঃ

এই গোটেইবোৰ হ'ল স্বতঃ প্ৰণোদিতভাৱে হোৱা প্ৰক্ৰিয়া।

(II) অৰণ্যযাত্ৰালৈ বুলি ওলোৱাৰ আগদিনা পাহিয়ে কেনেদৰে প্ৰস্তুতি চলাইছিল ? পাহিৰ ককায়েক পলৰ এই প্ৰস্তুতি কেনে ধৰণৰ আছিল ?

(III) "ভাৰতৰ সৰ্বতোকালৰ এজন সফল ব্যৱসায়ী ধীৰুভাই আম্বানীৰ হাতত মূলধনো নাছিল।" - ধীৰুভাই আম্বানীয়ে হাতত মূলধন আৰু শিক্ষাগত অৰ্হতা নথকাকৈ কেনেকৈ এজন সফল উদ্যোগী হ'ব পাৰিছিল, বৰ্ণনা কৰা।

16. চমু উত্তৰ লিখা ঃ **(যিকোনো এটাৰ)** 2x1=2

(I) অসমত চাহ উদ্যোগ প্ৰতিষ্ঠা হোৱাৰ পাছত চাহবাগিছাবোৰত বনুৱা হিচাপে কাম কৰিবলৈ মানুহবোৰ ভাৰতৰ কোন কোন ঠাইৰ পৰা আহিছিল ?

(II) মেৰী কাৰ্জন কোন আছিল ? তেওঁক কাজিৰঙাৰ গঁড় প্ৰথমে কোনে দেখুৱাইছিল ?

(III) সফল উদ্যোগী হ'বলৈ কিয় কঠিন ?

17. অতি চমুকৈ উত্তৰ লিখা ঃ 1x4=4

(I) ইয়াণ্ডাবু সন্ধি কেতিয়া হৈছিল ?

(II) কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানলৈ যোৱা দলটোৰ দলপতি কোন আছিল ?

(III) অসমৰ স্বাধীনতাৰ বেলি কেতিয়া অস্ত গৈছিল ?

(IV) তলিত ফুটা থকা নাওখনত উঠি বিপদত পৰা ছাত্ৰকেইজন কোন কোন আছিল ?

## (পদ্য ভাগ)

18. **যিকোনো এটা** প্ৰশ্নৰ উত্তৰ লিখা ঃ 4x1=4

(I) বৰগীত বুলিলে কি বুজা ? তোমাৰ পাঠ্যপুথিত অন্তৰ্ভুক্ত বৰগীতটোৰ ৰচক মাধৱদেৱৰ বিষয়ে চমুকৈ লিখা।

(II) তোমাৰ পাঠ্যপুথিত অন্তৰ্ভুক্ত জিকিৰটোৰ মূলভাৱ লিখা।

(III) 'প্ৰশস্তি' কবিতাটোত প্ৰকৃতিৰ সুধাৰ মাজত কিদৰে সুন্দৰৰ সাধনা লুকাই আছে বিৱৰি লিখা।

19. **যিকোনো এটা** প্ৰশ্নৰ চমু উত্তৰ লিখা ঃ 2x1=2

(I) 'প্ৰশস্তি' কবিতাটোৰ প্ৰথম স্তৱকটোতে ঊষাৰ কুংকুম ৰাগ আৰু নতুন কুঁহিপাতবোৰে প্ৰকৃতিক কেনেদৰে আদৰি আনিলে বুলি উল্লেখ কৰিছে ?

(II) জিকিৰ কি ? অসমৰ কোনবোৰ গীতৰ সৈতে জিকিৰৰ সাদৃশ্য আছে ?

(III) মাধৱদেৱৰ দুখন আখ্যানমূলক গ্ৰন্থৰ নাম লিখা।

20. অতি চমুকৈ উত্তৰ লিখা ঃ 1x4=4

(I) 'ৰহমৰ গিৰিহঁত' বুলি কবিয়ে কাক সম্বোধন কৰিছে ?

(II) 'প্ৰশস্তি' কবিতাটোৰ কবিৰ দ্বাৰা ৰচিত এখন কবিতা পুথিৰ নাম লিখা।

(III) কোনজন আহোম স্বৰ্গদেউৰ শাসন কালত আজান পীৰ অসমলৈ আহিছিল ?

(IV) মাধৱদেৱে ৰচনা কৰা বৰগীতসমূহ মূলতঃ কি বিষয়ক ?

-oOo-